প্ৰাথমিক শিক্ষা সকলো শিশুৰে মৌলিক অধিকাৰ

# প্ৰয়াস

## শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে ‘বাধাগ্ৰস্ত শিশুৰ সমন্বিত শিক্ষা’ৰ স্ব-নিৰ্দেশিত হাতপুথি





**অসম সৰ্বশিক্ষা অভিযান মিছন**

কাহিলীপাৰা, গুৱাহাটী- ১৯

# ৰাষ্ট্ৰীয় ন্যাস ঃ

১) ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু অধিকাৰ মন্ত্ৰণালয়ৰ অধীনত থকা ৰাষ্ট্ৰীয় ন্যাস হৈছে এটা বিধিসন্মত সংস্থা, যিটোক "অটিজ"ম, মস্তিষ্কৰ পক্ষাঘাট, মানসিক বাধাগ্ৰস্ততা আৰু একাধিক বাধাগ্ৰস্ততা থকা ব্যক্তিসকলৰ কল্যাণৰ বাবে ১৯৯৯ চনৰ আইনৰ অধীনত স্থাপন কৰা হৈছে।

২) সামাজিক ন্যাসৰ প্ৰাথমিক উদ্দেশ্যবোৰ হৈছে —

⇨ বাধাগ্ৰস্ত ব্যক্তিসকলক যথাসম্ভৱ স্বাধীনচিতিয়াকৈ জীৱন-যাপন কৰিব পৰাকৈ এটি অনুকূল পৰিৱেশ সৃষ্টি কৰি দিয়া আৰু তেওঁলোকক সমাজৰ লগত নিবিড় সম্বন্ধ বজাই ৰখাৰ সামৰ্থ আৰু ক্ষমতা প্ৰদান কৰা।

⇨ বাধাগ্ৰস্ত ব্যক্তিসকলক তেওঁলোকৰ নিজৰ পৰিয়ালৰ লগত বসবাস কৰিবলৈ সামৰ্থ আহৰণ কৰিব পৰাকৈ সুবিধাৰাজি প্ৰদান কৰা।

⇨ বাধাগ্ৰস্ত ব্যক্তি থকা পৰিয়ালে সন্মুখীন হোৱা দুৰ্যোগৰ সময়ত প্ৰয়োজনীয় সেৱা আগবঢ়াব পৰাকৈ সংস্থাসমূহক পঞ্জীয়নভুক্ত কৰাত সহায়-সহযোগিতা কৰা।

⇨ পৰিয়ালবৰ্গ নথকা বাধাগ্ৰস্ত ব্যক্তিসকলে সন্মুখীন হোৱা সমস্যাসমূহ আঁতৰ কৰাত সহায় কৰা।

⇨ বাধাগ্ৰস্ত ব্যক্তিসকলৰ মাক-বাপেক বা অভিভাৱকৰ মৃত্যুৰ পিছত তেওঁ-লোকক যত্ন আৰু সুৰক্ষা প্ৰদান কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা।

⇨ সুৰক্ষা আৰু যত্নৰ প্ৰয়োজন থকা বাধাগ্ৰস্ত ব্যক্তিসকলৰ বাবে অভিভাৱক আৰু পৃষ্ঠপোষক নিয়োগ কৰাৰ ব্যৱস্থা কৰা।

⇨ বাধাগ্ৰস্ত ব্যক্তিসকলক সমান সুযোগ-সুবিধাৰ অধিকাৰ অনুভৱ কৰোৱা।

⇨ উপৰোক্ত উদ্দেশ্যৰ লগত জড়িত অন্য যিকোনো কাম সম্পাদন কৰা।